# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-June-2026
**Time :** 2125 HRS

# *Assamese Night Bulletin*
--------------------

○○○○○

উমৈহতীয়া দেৱানী বিধিৰ বিষয়ে জনসাধাৰণক অৱগত কৰাৰ লক্ষ্যৰে আজি ৰাজ্যৰ বিভিন্ন ঠাইৰ জিলা বিজেপিৰ কাৰ্যালয়ত সংবাদমেল অনুষ্ঠিত হয়। কাছাৰ জিলা বিজেপিয়ে আজি শিলচৰত এই সন্দৰ্ভত আয়োজিত এখন সংবাদমেলত এই দেৱানী বিধিৰ প্ৰকৃত তথ্যসমূহ জনসাধাৰণক অৱগত কৰোৱাৰ প্ৰয়াস কৰে। সংবাদমেলত হাইলাকান্দিৰ বিধায়ক ড০ মিলন দাসে কয় যে এই বিধেয়কখনৰ প্ৰথম খণ্ডত বহু-বিবাহ, বিবাহ বিচ্ছেদ আদি সম্পৰ্কীয় বিধান আৰু শাস্তি সন্নিৱিষ্ট কৰাৰ বিপৰীতে দ্বিতীয় খণ্ডত সম্পত্তিৰ অধিকাৰ আৰু তৃতীয় অংশত লীভ ইন ৰিলেচনশ্বিপত আইনী স্বীকৃতিৰ বিষয়ে উল্লেখ কৰা হৈছে।

চিৰাং জিলাৰ বিজনীৰ বিজেপিৰ মণ্ডল কাৰ্যালয়ত আয়োজিত সংবাদমেলত বিজেপিৰ পেনেলিষ্ট অৰ্জুন চেত্ৰীয়ে উমৈহতীয়া দেৱানী বিধিৰ বিভিন্ন দিশৰ বিষয়ে ব্যাখ্যা কৰে। এই বিধিৰ জৰিয়তে সকলো নাগৰিকৰ বাবে সম আইন প্ৰৱৰ্তনৰ লক্ষ্য লোৱা হৈছে বুলি শ্ৰীচেত্ৰীয়ে প্ৰকাশ কৰে।

○○○○○

ৰাজ্যত বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি পৰহিলৈ প্ৰায় এক কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আত্মসহায়ক গোটৰ ৩৫ লাখতকৈ অধিক মহিলাক এই অভিযানৰ সৈতে জড়িত কৰোৱা হ'ব। ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ বনানিকৰণ, স্বচ্ছ শক্তিৰ প্ৰসাৰ আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে পৰিৱেশ সুৰক্ষা আৰু বহনক্ষম উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ বাবে এই পদক্ষেপ লৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে আত্মসহায়ক গোটৰ সদস্যাসকলে ৰাজ্যজুৰি এই পদক্ষেপত অংশগ্ৰহণ কৰি অকল সেউজ অসম গঢ়াৰ দিশতেই নহয় বৰং পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত নাৰী শক্তি অদম্য নেতৃত্ব আৰু দায়বদ্ধতাৰো উজ্বল নিৰ্দশন দাঙি ধৰিব।

সমগ্ৰ শিক্ষা অসমে বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ সকলো জিলাৰ জিলা মিছন সমন্বয়ক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰিছে। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালক ওম প্ৰকাশে প্ৰেৰণ কৰা এই পত্ৰত উল্লেখ কৰা অনুসৰি বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সামঞ্জস্য ৰাখি পৰহিলৈৰ পৰা ৩০ জুনলৈ ইকো ক্লাৱছ ফৰ মিছন লাইফৰ পৃষ্ঠপোষকতাত সেউজ গ্ৰীষ্ম শিবিৰ অনুষ্ঠিত কৰা হ'ব। তদুপৰি প্ৰতিখন বিদ্যালয়ত মাতৃৰ নামত এজোপা গছ শীৰ্ষক কাৰ্যসূচীৰ তৃতীয় সংস্কৰণ ৰূপায়ণ কৰা হ'ব।

চিৰাং জিলাৰ বন বিভাগে পৰহিলৈ ভাৰত-ভূটান সীমান্তৰ দেওশ্ৰী, ৰায়পুৰ, ছিক্‌নাঝাৰ ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া অঞ্চলত বিশ্ব পৰিৱেশ দিৱস পালনৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। চিৰাং বন সংমণ্ডল বিষয়া কুঞ্জন বসুমতাৰীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰা মতে জিলাখনৰ দুটা বিধানসভা সমষ্টি ছিদলী-চিৰাং আৰু বিজনীৰ বিধায়কক লৈ দুয়োটা সমষ্টিতে ৫ লাখকৈ গছপুলি ৰোপণৰ পৰিকল্পনা কৰা হৈছে।

০০০০০

মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে চৰকাৰী ধনৰ অপব্যৱহাৰৰ গোচৰত কামপুৰৰ চক্ৰ বিষয়া সংগীতা বৰঠাকুৰৰ বিৰুদ্ধে বিশেষ ন্যায়াধীশৰ আদালতত ৩৯৭ পৃষ্ঠাৰ এখন অভিযোগনামা দাখিল কৰিছে। গচোৰ চলোৱাৰ বাবে অসম চৰকাৰৰ পৰা যাৱতীয় অনুমতি লাভ কৰাৰ পাছতেই তদন্তকাৰী বিষয়াই অভিযুক্ত বৰঠাকুৰৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে। উল্লেখযোগ্য যে চক্ৰ বিষয়াগৰাকীয়ে নিৰ্বাচনৰ বাবে অহা পুঁজি আত্মসাৎ কৰা বুলি প্ৰথমে কামপুৰ থানাত এটা গোচৰ ৰুজু কৰা হৈছিল। পৰৱৰ্তী পৰ্যায়ত মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ নিৰ্দেশমৰ্মে গোচৰটো মুখ্যমন্ত্ৰী তদাৰকী কোষলৈ হস্তান্তৰ কৰা হয়।

০০০০০

তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলত হাতী-মানুহৰ সংঘাত অব্যাহত আছে। জিলাখনৰ পৰা আমাৰ সংবাদদাতাই জনোৱা মতে আজি দিন দুপৰতে বগৰীবাৰী গাঁৱত বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকৰ থিতাতে মৃত্যু হয়। মৃত লোকজন ছিমলীগুৰি গাঁৱৰ পৌলুছ বসুমতাৰী বুলি চিনাক্ত কৰা হৈছে। অঞ্চলটোলৈ খাদ্যৰ সন্ধানত ওলাই অহা বনৰীয়া হাতীৰ জাক চাবলৈ বুলি যোৱাৰ সময়ত জাকটোৰ পৰা ফালৰি কাটি অহা এটা হাতীৰ ভৰিৰ গচকত লোকজন থিতাতে নিহত হয়। ঘটনাৰ খবৰ পোৱা মাত্ৰেই কুমাৰীকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু বন বিভাগৰ দলে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। ইপিনে, বগৰীবাৰী অঞ্চলত বৰ্তমানো হাতীৰ জাকটোৱে অৱস্থান কৰি থকাৰ বাবে স্থানীয় লোক আতংকত ভূগিছে।

০০০০০

শ্ৰীভূমি জিলা প্ৰশাসনে আজি শ্ৰীভূমি চহৰৰ ছন্তৰ বজাৰ আৰু পি ডব্লিউ ডি বজাৰ অঞ্চলত অবৈধ দখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলায়। পৌৰসভাৰ নেতৃত্বত পৰিচালিত এই অভিযানত পথ, পদপথ আৰু নলাৰ ওপৰত গঢ়ি উঠা দোকান-পোহাৰসমূহ উচ্ছেদ কৰা হয়। আমাৰ সংবাদদাতাই জনোৱা মতে, বজাৰ অঞ্চলত অবৈধ দখলৰ ফলত যান-বাহনৰ চলাচলত অসুবিধা হোৱাৰ উপৰি সামান্য এজাক বৰষুণতেই পানী জমা হৈ জনসাধাৰণে দুৰ্ভোগ ভূগিবলগীয়া হয়। পৰৱৰ্তী সময়তো অবৈধ দখলৰ বিৰুদ্ধে এনে অভিযান অব্যাহত থাকিব বুলি পৌৰসভাৰ কাৰ্যবাহী বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

বৰপেটা জিলাৰ হৰিপুৰ চ'কপাৰা গাঁৱৰ আঞ্জু খান নামৰ এজন কৃষকৰ আজি বজ্ৰ পৰি মৃত্যু হয়। প্ৰৱল বৰষুণৰ মাজত পথাৰৰ পৰা বিয়লি ঘৰলৈ খোজকাঢ়ি গৈ থকা অৱস্থাত বজ্ৰ পৰি লোকজনৰ মৃত্যু হয়।

০০০০০

সমাপ্ত